অসম বিধান সভা
তৰাচিহ্নীত প্ৰশ্ন নং ঃ **১৫১**
উত্তৰ দানৰ তাৰিখ ঃ ১৫/০৭/২০২৬
*বিষয়ঃ* **উন্নত বীজ, সাৰ আৰু কৃষি ঋণ প্ৰদান**
বিধায়কৰ নাম ঃ ড° তপন দাস ঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিমৰীয়াৰ কৃষক সকলক সময়মতে উন্নত বীজ, সাৰ আৰু কৃষি ঋণ প্ৰদান নিশ্চিত কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

(খ) বানত ক্ষতিগ্ৰস্ত কৃষক সকলক ক্ষতিপূৰণ প্ৰদানৰ বৰ্তমান অৱস্থা কি ?

(গ) জলসিঞ্চন ব্যৱস্থা সম্প্ৰসাৰণৰ বাবে নতুন আঁচনি গ্ৰহণ কৰা হৈছে নেকি ?

<u>উত্তৰ</u>

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকাদেৱে উত্তৰ দিব ঃ

(ক) এইবছৰৰ পৰা কৃষি সা-সামগ্ৰীসমূহ কৃষি পঞ্জীত উল্লেখ থকা সময়সূচীৰ আগতেই বিতৰণৰ ব্যৱস্থা কৰা হব ।

কৃষি ঋণ বেংকৰ জৰিয়তে প্ৰদান কৰা হয়। বিভাগৰ ক্ষেত্ৰ পৰ্য্যায়ৰ বিষয়া কৰ্মচাৰী সকলে ইচ্ছুক কৃষকক ঋণ লাভৰ আবেদন পত্ৰ পূৰণৰ পৰা আৰম্ভ কৰি যাৱতীয় সকলোখিনি ব্যৱস্থা গ্ৰহণত সহায় কৰি দিয়ে। আনকি ৰাজ্যিক তথা জিলা পৰ্য্যায়ৰ সভাবোৰত KCC ঋণক অগ্ৰাধিকাৰ দিবলৈ চেষ্টা চলাই থকা হৈছে ।

(খ) বান ক্ষতিগ্ৰস্ত কৃষকক ক্ষতিপূৰণ প্ৰদানৰ বৰ্তমান ব্যৱস্থা এনেধৰণৰ

১) বালিমাটিৰে খেতিপথাৰ পোত গ'লে Rs.18,000.00 Per Hq. নিৰিখত সাহাৰ্য প্ৰদান ।

২) খেতিত লোকচান ৩৩% তকৈ বেছি হলে জলসিঞ্চনৰ সুবিধা নথকা মাটিৰ বাবে Rs. 8,500.00 Per Hq. আৰু জলসিঞ্চনৰ সুবিধা থকা মাটিৰ বাবে Rs. 17,000.00 Per Hq.

৩) ভাৰত চৰকাৰৰ RKVY-Flexi Fund ৰ পৰা Community Nursery স্থাপন ।

৪) খাৰিফ বতৰত নষ্ট হোৱা খেতিৰ বিপৰীতে ৰবি বতৰতো বিভিন্ন বীজ যেনে- ধান, মাহ, সৰিয়হ, বিভিন্ন শাক-পাচলিৰ বীজ, সাৰ আদিৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হয়।

(গ) জলসিঞ্চন ব্যৱস্থা সম্প্ৰসাৰণৰ বাবে STW, LLP, স্প্ৰিংক্লাৰ, দ্ৰীপ, আদি ব্যৱস্থাত ৭৫-৮৫% ৰাজসাহায্য থকা PMKSY-PDMC, RIDF আদি আঁচনি চলাই থকা হৈছে। আৱণ্টন অনুসৰি জিলা উপায়ুক্তৰ জৰিয়তে নিৰ্বাচিত খেতিয়ক সকলক এইবোৰ সুবিধা প্ৰদান কৰা হয় ।

*************